## *সামাজিক মাধ্যমৰ সংকট*

# প্ৰযুক্তিৰ উদ্ভাৱন আৰু মানসিক অন্তৰ্দৃষ্টিৰ মহামিলনৰ পৰিণাম

ড° জয়কান্ত শৰ্মা

◆◆

***আপাত দৃষ্টিত সামাজিক মাধ্যম হ'ল ভৌগোলিক সীমাৰেখা অতিক্ৰম কৰি গোলকীয়কৰণৰ গতি ত্বৰান্বিত কৰাৰ প্ৰয়াস। মাধ্যমটোৰে ব্যক্তিক এখন বৃহত্তৰ মানৰ সমাজৰ সন্ধান দিছে; তদুপৰি মতপ্ৰকাশৰ স্বাধীনতাই সামাজিক মাধ্যমৰ সৌজন্যতে নতুন মাত্ৰা লাভ কৰিছে। সামাজিক মাধ্যমত কোনো ব্যক্তি বা সংগঠনৰ ভূমিকা সম্পৰ্কে মন্তব্য কৰোঁতে ব্যক্তিয়ে লাগ-বান্ধ নথকাকৈ সমালোচনা কৰিলেও মাতোঁতা নাই; আকৌ সময়ত একোটা মন্তব্যত শিষ্টাচাৰ-শালীনতাৰ সীমা চেৰাই গৈ অভদ্ৰ আচৰণৰ পয়োভৰো পৰিলক্ষিত হয়। একোটা বিষয়ক কেন্দ্ৰ কৰি ইজনে সিজনৰ বিৰুদ্ধে আৰোপ-প্ৰত্যাৰোপ কৰে আৰু সময়ত ব্যক্তিগত আক্ৰমণ-প্ৰত্যাক্ৰমণো চলে, যিবোৰ ৰাজহুৱা জীৱনৰ বাবে অলপো গ্ৰহণযোগ্য নহয়।***

◆◆◆

'আপুনি সামাজিক মাধ্যমত (Social Media) জড়িত আছেনে?' সাম্প্ৰতিক কালৰ সামাজিক জীৱনত প্ৰশ্নটো অতি প্ৰাসংগিক। 'সামাজিক মাধ্যম' মানে ইণ্টাৰনেটৰ মাধ্যমত হোৱা পাৰস্পৰিক মতবিনিময়, যিটোৰ জৰিয়তে ব্যক্তিয়ে নিজৰ যিকোনো অভিজ্ঞতা দাঙি ধৰিব পাৰে, আনৰ অভিজ্ঞতা সন্দৰ্ভতো মতামত দিব পাৰে। "কোনো ঘটনা-পৰিঘটনা সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ উপৰি আনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বিষয়েও সামাজিক মাধ্যমত সততে মন্তব্য কৰা হয়। তাৰ বাবে ইণ্টাৰনেটৰ ব্যৱসায় কৰা প্ৰতিষ্ঠানবোৰে আগবঢ়াইছে Facebook, Google, Twitter, Instagram, Tik Tok, Wechat আদিৰ দৰে সামাজিক মঞ্চসমূহ (Social Platform)। এই মঞ্চৰ অংশীদাৰ হ'বলৈ গ্ৰাহকৰ কোনো অৰ্হতা আৱশ্যকীয় নহয়; কোম্পানিটোৱে গ্ৰাহকভুক্তিৰ বাবে দিয়া প্ৰস্তাৱত সন্মতি দিবলৈ স্মাৰ্ট ফোনটোৰ বিশেষ বুতাম এটাত টিপিলেই হ'ল। নক'লেও হয় যে এই সুবিধা উপভোগ কৰিবলৈ প্ৰয়োজনীয় একমাত্ৰ আহিলাবিধ হ'ল 4G নেটৱৰ্কৰ সংযোগ থকা স্মাৰ্ট ফোনটো। শেহতীয়াভাৱে ব্যৱস্থাটো অধিক কাৰ্যক্ষম কৰি তুলিবলৈ 5G নেটৱৰ্ক প্ৰয়োগ কৰাৰ প্ৰয়াস চলি আছে।

আপাত দৃষ্টিত সামাজিক মাধ্যম হ'ল ভৌগোলিক সীমাৰেখা অতিক্ৰম কৰি গোলকীয়কৰণৰ গতি ত্বৰান্বিত কৰাৰ প্ৰয়াস। মাধ্যমটোৰে ব্যক্তিক এখন বৃহত্তৰ মানৰ সমাজৰ সন্ধান দিছে; তদুপৰি মতপ্ৰকাশৰ স্বাধীনতাই সামাজিক মাধ্যমৰ সৌজন্যতে নতুন মাত্ৰা লাভ কৰিছে।

এজন ব্যক্তিয়ে আনে দিয়া মন্তব্যত ভাল লগা বা বেয়া লগা বুলি মত প্ৰকাশ কৰাৰ উপৰি জনমত গঠনৰ প্ৰয়াসো চলাব পাৰে। প্ৰকাৰান্তৰে এয়া হ'লগৈ ব্যক্তি অধিকাৰৰ সীমাহীন সম্প্ৰসাৰণ। কোনো কোনোৱে কয়, সামাজিক মাধ্যমে দেশে দেশে গণতন্ত্ৰক উচ্চতৰ মাত্ৰা প্ৰদান কৰিছে। পিছে শেহতীয়াভাৱে সেইটোকে মানৰ সভ্যতাৰ সংকটৰ আগজাননী বুলিহে ভাবিবলৈ লৈছে এচাম সমাজ সচেতন লোকে।

সামাজিক মাধ্যমত কোনো ব্যক্তি বা সংগঠনৰ ভূমিকা সম্পৰ্কে মন্তব্য কৰোঁতে ব্যক্তিয়ে লাগ-বান্ধ নথকাকৈ সমালোচনা কৰিলেও মাতোঁতা নাই; আকৌ সময়ত একোটা মন্তব্যত শিষ্টাচাৰ-শালীনতাৰ সীমা চেৰাই গৈ অভদ্ৰ আচৰণৰ পয়োভৰো পৰিলক্ষিত হয়। একোটা বিষয়ক কেন্দ্ৰ কৰি ইজনে সিজনৰ বিৰুদ্ধে আৰোপ-প্ৰত্যাৰোপ কৰে আৰু সময়ত ব্যক্তিগত আক্ৰমণ-প্ৰত্যাক্ৰমণো চলে, যিবোৰ ৰাজহুৱা জীৱনৰ বাবে অলপো গ্ৰহণযোগ্য নহয়। অৱশ্যে সামাজিক মাধ্যমত জড়িত ব্যক্তিসকলৰ মাজত একো একোটা থুপ গঠন কৰি ইতিবাচক আলোচনা-বিলোচনা চলোৱাৰ অলেখ উদাহৰণ আছে; সেইবোৰ পৰম্পৰাগত সভা-সমিতিৰ মৰ্যাদা পাবৰ যোগ্য। কিন্তু সামাজিক মাধ্যমতেই দুষ্ট চক্ৰই সাম্প্ৰদায়িক বিষবাষ্প, গোষ্ঠীগত সংঘাত বিয়পোৱাৰ চক্ৰান্ত চলায়, সেইটোও নুই কৰিব নোৱাৰি। সামাজিক হিংসাৰ অলেখ ঘটনাৰ আঁৰত মাধ্যমটোত প্ৰচাৰিত বিদ্বেষমূলক মন্তব্য মূল কাৰকৰূপে চিহ্নিত হৈছে; আনকি গণপ্ৰহাৰৰ ঘটনাবোৰতো এনেদৰেই গণতান্ত্ৰিক সমাজত অগণতান্ত্ৰিক গতিবিধিক উৎসাহিত কৰাৰ কুটিল চক্ৰান্তত সামাজিক মাধ্যম জড়িত থকা বুলি অভিযোগ উত্থাপিত হৈ আহিছে। অনেক দুষ্কৃতিকাৰীয়ে নাৰী নিৰ্যাতনৰ দৰে জঘন্য ঘটনাও সামাজিক মাধ্যমত প্ৰচাৰ কৰে, অশ্লীল কথা আৰু ছবিবোৰৰ কথা নক'লোঁৱেই বা। লক্ষ্যণীয় যে এচাম উতনুৱা লোকৰ বাবে সামাজিক মাধ্যম হ'ল আড্ডাত সময় কটোৱাৰ লেখীয়া; তেওঁলোকৰ তৰল মন্তব্য আৰু খুহুটীয়া কথাবোৰ সততে হৈ পৰে মনোৰঞ্জনৰ খোৰাক।

নক'লেও হয় যে সামাজিক মঞ্চ আগবঢ়োৱা কোম্পানিবোৰৰ কাম হ'ল প্ৰচাৰৰ সামগ্ৰী সংগ্ৰহ আৰু বিতৰণ আৰু তাৰ যোগেদি বিজ্ঞাপনৰ এখন বিশাল সাম্ৰাজ্য স্থাপন। কিন্তু এই সাম্ৰাজ্যৰ ভেটি হ'ল আনৰ গোপনীয় তথ্য আৰু ব্যক্তিগত সবলতা-দুৰ্বলতাৰ ভিত্তিত গঢ়ি তোলা চোৰাংচোৱাগিৰি। কাৰণ কোম্পানিটোৱে গ্ৰাহকৰ সকলো গতিবিধি সতৰ্কতাৰে লক্ষ্য কৰে, তেওঁলোকৰ আবেগ-অনুভূতিৰ উমান